**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-01-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***
**::::::::::::::::::**
**::::::::::::::::::**

১। বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে কাইলৈ লোকসভাত ২০২৬-২৭ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট উত্থাপন কৰিব।

২। উচ্চতম ন্যায়ালয়ে সংবিধানৰ ২১ নম্বৰ অনুচ্ছেদৰ অধীনত ঋতুস্ৰাৱজনতি পৰিস্কাৰ-পৰিচ্ছন্নতা জীৱনৰ অধিকাৰৰ অভিন্ন অংগ বুলি ৰায় দিছে।

৩। গৃহ মন্ত্ৰালয়ে আৰক্ষী অধীক্ষক আৰু উপ-মহাপৰিদৰ্শক পৰ্যায়ৰ ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়াসকলৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ অধীনত আৰক্ষী মহা-পৰিদৰ্শক হিচাপে নিযুক্তিৰ বাবে ২ বছৰৰ কেন্দ্ৰীয় অভিজ্ঞতা বাধ্যতামূলক কৰিছে।

৪। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি হাৰিয়ানাৰ সুৰজকুণ্ডত ৩৯ সংখ্যক সুৰজকুণ্ড আন্তঃৰাষ্ট্ৰীয় আত্মনিৰ্ভৰ শিল্প মহোৎসৱৰ শুভাৰম্ভ কৰে। **আৰু**

৫। অসমে ৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰবেশ কৰিছে।

০০০০০০০

বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে কাইলৈ লোকসভাত ২০২৬-২৭ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট উত্থাপন কৰিব। বাজেট উত্থাপন কৰাৰ পাছত ইয়াৰ প্ৰতিলিপি ৰাজ্যসভাত দাখিল কৰা হ'ব। শ্ৰীমতী সীতাৰমনে এইবাৰকে ধৰি একেৰাহে নৱম বাৰৰ বাবে বাজেট দাখিল কৰিব। সংসদত বাজেট ভাষণ সম্পূৰ্ণ হোৱাৰ পাছত বাজেট নথি মোবাইল এপ্ আৰু ৱেবছাইটত উপলভ্য হ'ব।

বাজেট দাখিলৰ পাছত শ্ৰীমতী সীতাৰমণে দেশৰ বিভিন্ন প্ৰান্তৰ প্ৰায় ৩০ গৰাকী শিক্ষাৰ্থীৰ সৈতে মত বিনিময় কৰিব।

উল্লেখযোগ্য যে বাজেট প্ৰস্তুতৰ পূৰ্বে কেন্দ্ৰীয় বিত্তমন্ত্ৰীগৰাকীয়ে অৰ্থনীতিবিদ, শ্ৰমিক সংঘ, শিক্ষা আৰু স্বাস্থ্য , বাণিজ্য আৰু সেৱা, উদ্যোগ, বিত্ত মূলধনী বজাৰ, অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ডৰ বিশেষজ্ঞ আৰু প্ৰতিনিধিকে ধৰি বিভিন্ন অংশীদাৰসকলৰ সৈতে প্ৰাক বাজেট পৰামৰ্শ বৈঠকত মিলিত হৈছিল আৰু তেওঁলোকৰ মতামত গ্ৰহণ কৰিছিল। এইবাৰৰ কেন্দ্ৰীয় বাজেটত এই পৰামৰ্শৰ প্ৰতিফলন দেখিবলৈ পোৱা যাব। ০০০০০০

০০০০০০০

উচ্চতম ন্যায়ালয়ে সংবিধানৰ ২১ নম্বৰ অনুচ্ছেদৰ অধীনত ঋতুস্ৰাৱজনতি পৰিস্কাৰ-পৰিচ্ছন্নতা জীৱনৰ অধিকাৰৰ অভিন্ন অংগ বুলি ৰায় দিছে। সৰ্বোচ্চ ন্যায়ালয়ে কালি ছোৱালী আৰু মহিলাৰ বাবে

মৰ্যাদা, স্বাস্থ্য আৰু সমতা সুনিশ্চিত কৰিবলৈ ৰাজ্য, কেন্দ্ৰীয় শাসিত অঞ্চল আৰু বিদ্যালয়সমূহলৈ এলানি নীতি-নিৰ্দেশনা জাৰি কৰে। উচ্চতম ন্যায়ালয়ে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ সকলো বিদ্যালয়ত ছোৱালীৰ বাবে বিনামূলীয়াকৈ মাটিৰ লগত সহজে মিহলি পৰিবেশ অনুকূল চেনিটেৰী নেপকিন যোগান ধৰিবলৈ নিৰ্দেশ দিছে। ন্যায়াধীশ জে বি পাৰ্ডিৱালা আৰু আৰ মহাদেৱনক লৈ গঠিত এখন বিচাৰপীঠে এখন আবেদনৰ শুনানি লৈ এই গুৰুত্বপূৰ্ণ ৰায় দিয়ে। আবেদনখনত ছোৱালীৰ বাবে বিদ্যালয়লৈ বিনামূলীয়া চেনিটেৰী নেপকিন আৰু পৰিস্কাৰ-পৰিচ্ছন্নতাৰ পৰ্যাপ্ত সুবিধাৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনোৱা হৈছিল। ন্যায়ালয়ে প্ৰতিখন বিদ্যালয়তে ল'ৰা আৰু ছোৱালীৰ বাবে সুকীয়া শৌচালয়ৰ ব্যৱসথা কৰিবলৈ নিৰ্দেশ দিয়ে। চৰকাৰী আৰু ব্যক্তিগত সকলো শৈক্ষিক প্ৰতিষ্ঠানৰ বাবে এই ৰায় পালন কৰাটো অনিবাৰ্য হ'ব বুলি ন্যায়ালয়ে স্পষ্ট কৰে। ০০০০০

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ সন্ত গুৰু ৰবিদাসৰ ৬৪৯ সমখ্যক জন্ম বাৰ্ষিকী উপলক্ষে পঞ্জাৱলৈ যাব। ভ্ৰমণকালত শ্ৰীমোদীয়ে আদমপুৰ বিমানবন্দৰত শ্ৰীগুৰু ৰবিদাস জী বিমানবন্দৰ হিচাপে নামকৰণ কৰিব। প্ৰধানমন্ত্ৰী কাৰ্যলয়ে প্ৰকাশ কৰা মতে বছৰ বছৰ ধৰি নিজৰ শিকনিৰ জৰিয়তে দেশবাসীক অনুপ্ৰাণিত কৰি অহা মহান সাধু আৰু সমাজ সংস্কাৰকগৰাকীলে সন্মান জনোৱাৰ উদ্দেশ্যে আদমপুৰ বিমানবন্দৰটো তেওঁৰ নামেৰে নামকৰণ কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে লগতে লুধিয়ানাত হালৱাৰা বিমানবন্দৰৰ টাৰ্মিনেল ভৱন উদ্বোধন কৰিব। শ্ৰীমোদীয়ে লগতে জলন্ধৰ জিলাৰ ডেৰা ছচ্খণ্ড বালন পৰিদৰ্শন কৰিব আৰু গুৰু ৰবিদাসৰ সন্মানাৰ্থে আয়োজিত এটা ৰাজহুৱা অনুষ্ঠানত অংশগ্ৰহণ কৰিব। ০০০০০০

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ভেনেজুৱেলাৰ ভাৰপ্ৰাপ্ত ৰাষ্ট্ৰপতি ডেলচি ৰ'ড্ৰিগজে দুয়োখন দেশৰ মাজৰ বাণিজ্য, বিনিয়োগ, শক্তি, ডিজিটেল প্ৰযুক্তি, স্বাস্থ্য, কৃষি আৰু গণসংযোগকে ধৰি প্ৰায়বোৰ খণ্ডত দ্বিপাক্ষিক সম্পৰ্ক সুদৃঢ় কৰাৰ ক্ষেত্ৰত সন্মতি প্ৰকাশ কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ এটা বিবৃতিত প্ৰকাশ কৰা মতে প্ৰধানমন্ত্ৰী মোদী আৰু ভেনেজুৱেলাৰ ভাৰপ্ৰাপ্ত ৰাষ্ট্ৰপতিগৰাকীৰ মাজত কালি টেলিফোনযোগে কথাবতৰা হয়। দুয়োগৰাকী নেতাই পাৰস্পৰিক স্বাৰ্থ জড়িত বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয়ত মত বিনিময় কৰাৰ লগতে গোলকীয় দক্ষিণৰ বাবে উভয় দেশৰ সহযোগিতাত গুৰুত্ব আৰোপ কৰে। ০০০০

০০০০০০০০

গৃহ মন্ত্ৰালয়ে আৰক্ষী অধীক্ষক আৰু উপ-মহাপৰিদৰ্শক পৰ্যায়ৰ ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়াসকলৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ অধীনত আৰক্ষী মহা-পৰিদৰ্শক হিচাপে নিযুক্তিৰ বাবে ২ বছৰৰ কেন্দ্ৰীয় অভিজ্ঞতা অনিবাৰ্য কৰি দিছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে এই সন্দৰ্ভত সকলো ৰাজ্যৰ মুখ্য সচিবলৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে ভাৰতীয় আৰক্ষী সেৱাৰ ২০১১ চন আৰু ইয়াৰ পাছৰ বেট্চৰ বিষয়াসকলৰ ক্ষেত্ৰত এই নিৰ্দেশ প্ৰযোজ্য হ'ব।

০০০০০

নতুন দিল্লীত আজি ভাৰত-আৰব বিদেশ মন্ত্ৰীসকলৰ দ্বিতীয়খন বৈঠক অনুষ্ঠিত হ'ব। ভাৰত আৰু সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰই এই বৈঠকত সহ-অধ্যক্ষতা কৰিব। বৈঠকত আৰব লীগৰ সদস্য-ৰাষ্ট্ৰৰ বিদেশ মন্ত্ৰীসকল আৰু আৰব লীগৰ সচিবপ্ৰধানে অংশ ল'ব। ভাৰতে প্ৰথমবাৰৰ বাবে এই বৈঠকৰ আয়োজন

কৰিছে। প্ৰায় ১০ বছৰৰ মূৰত হ'বলগীয়া এই  বৈঠকত ২২ খন আৰব ৰাষ্ট্ৰই অংশগ্ৰহণ কৰিব। বিদেশমন্ত্ৰীসকলৰ বৈঠকৰ পূৰ্বে কালি নতুন দিল্লীত ভাৰত-আৰব শীৰ্ষ বিষয়াসকলৰ চতুৰ্থখন বৈঠক অনুষ্ঠিত হয়। বিদেশ মন্ত্ৰীসকলৰ প্ৰথমখন বৈঠক ২০১৬ চনত বাহৰেইনত অনুষ্ঠিত হৈছিল। প্ৰথমখন বৈঠকত অৰ্থনীতি, শক্তি, শিক্ষা, সংবাদ মাধ্যম আৰু সংস্কৃতিক অগ্ৰাধিকাৰৰ বিষয় হিচাপে চিহ্নিত কৰা হৈছিল। এইবাৰৰ বৈঠকত ৰাষ্ট্ৰসমূহৰ মাজত সহযোগিতাৰ প্ৰসাৰ আৰু সুদৃঢ়কৰণত গুৰুত্ব আৰোপ কৰা হৈছে। ০০০০০

০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কালি নতুন দিল্লীত  আৰব লীগৰ কেইবাখনো সদস্য ৰাষ্ট্ৰৰ বিদেশ মন্ত্ৰীসকলৰ সৈতে আলোচনাত মিলিত হয়। এই আলোচনাত বিশেষকৈ দ্বিপাক্ষিক সম্পৰ্ক আৰু পশ্চিম এছিয়াৰ পৰিস্থিতিত গুৰুত্ব দিয়া হয়। ড০ জয়শংকৰে কম'ৰ'ছ, লিবিয়া, ছোমালিয়া, ছুডান আৰু পেলেষ্টাইনৰ বিদেশ মন্ত্ৰীসকলৰ সৈতে বৈঠকত মিলিত হয়। তেওঁ আৰব লীগৰ সচিবপ্ৰধান আহমেদ আবুল ঘেইতৰ সৈতেও আলোচনাত মিলিত হয়। এই আলোচনা সন্দৰ্ভত ড০ জয়শংকৰে সামাজিক মাধ্যমত  কয়, যে আবুল ঘেইতৰ সৈতে তেওঁ বিভিন্ন খণ্ডত সহযোগিতা বৃদ্ধি কৰাৰ বিষয়ে আলোচনা কৰাৰ লগতে এই খণ্ডৰ শেহতীয়া বিকাশ সন্দৰ্ভত মত-বিনিময় কৰে। ছোমালিয়াৰ বিদেশ মন্ত্ৰী আব্দিছালাম আলীৰ সৈতে হোৱা বৈঠক ফলপ্ৰসূ আছিল বুলি উল্লেখ কৰি ড০ জয়শংকৰে কয়, যে তেওঁলোকে দ্বিপাক্ষিক বাণিজ্যৰ প্ৰসাৰ, শিক্ষা, স্বাস্থ্য, বহুপাক্ষিক সহযোগিতা আদি বিষয়ত মত বিনিময় কৰে। ছুডানৰ বিদেশমন্ত্ৰী ছলিম আহমেদ ইব্ৰাহিমৰ সৈতে হোৱা আলোচনাত ড০ জয়শংকৰে দেশখনত সংঘৰ্ষৰ সমাপ্তি তথা পুনৰ আলোচনালৈ ঘূৰি যোৱাৰ ক্ষেত্ৰত ভাৰতৰ স্থিতিৰ কথা দোহাৰে। পেলেষ্টাইনৰ বিদেশ মন্ত্ৰী ভাৰ্ছেন আঘাবেকিয়ান শ্বাহিনৰ সৈতে হোৱা আলোচনাত ভাৰত আৰু পেলেষ্টাইনৰ মাজৰ সহযোগিতাৰ পৰ্যালোচনা কৰা হয়। দুয়োগৰাকী নেতাই গাজা শান্তি চুক্তি আৰু আঞ্চলিক বিকাশ সন্দৰ্ভত তেওঁ নিজৰ মত ব্যক্ত কৰে।

০০০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি হাৰিয়ানাৰ সুৰজকুণ্ডত ৩৯ সংখ্যক সুৰজকুণ্ড আন্তঃৰাষ্ট্ৰীয় আত্মনিৰ্ভৰ শিল্প মহোৎসৱৰ শুভাৰম্ভ কৰে। স্থানীয়ৰ পৰা বিশ্ব প্ৰেক্ষাপটলৈ - আত্মনিৰ্ভৰ ভাৰত বিষয়বস্তুৰে আয়োজিত এই মেলাৰ উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱাট আৰু হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নায়ব সিং ছেইনী সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে। মেলাত উত্তৰ প্ৰদেশ আৰু মেঘালয়ৰ চহকী সংস্কৃতি আৰু লোককলা প্ৰদৰ্শন কৰা হৈছে। মেলাত ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বয়ন আৰু হস্তশিল্পীসকলে এহেজাৰ ২০০ৰো অধিক বিপণী স্থাপন কৰিছে।  ১৫ ফেব্ৰুৱাৰীত এই মহোৎসৱৰ সামৰণি পৰিব।

০০০০০

অসমে ৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। অসমে কালি ঢকুৱাখনাৰ বিষ্টুৰাম দলে ক্ৰীড়া ক্ষেত্ৰত অনুষ্ঠিত গ্ৰুপ **এ**ৰ এখন খেলত যোৱা বাৰৰ চেম্পিয়ন পশ্চিম বংগৰ বিৰুদ্ধে ১-১ গ'লত ড্ৰ খেলে। পশ্চিম বংগই খেলখনৰ প্ৰথমাৰ্ধত আকাশ হেমব্ৰামৰ গ'লেৰে অগ্ৰগতি লাভ কৰে। দ্বিতীয়াৰ্ধত অসমে আক্ৰমণাত্মক খেলে আৰু ৮৩ মিনিটত এটা পেণাল্টি লাভ কৰে। অসমৰ হৈ ঋতুৰাজ মোহনে পেণাল্টিক গ'ললৈ ৰূপান্তৰ কৰে আৰু ১-১ গ'লেৰে সমতা স্থাপন

কৰে। ইয়াৰ সুবাদত অসমে পাঁচখন খেলৰ পৰা মুঠ ৬ পইণ্ট অৰ্জন কৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰে। আনহাতে পশ্চিম বংগই গ্ৰুপ এৰ শীৰ্ষ স্থানৰ দল হিচাপে কোৱাৰ্টাৰ ফাইনেল খেলাৰ যোগ্যতা অৰ্জন কৰে।

ooooo

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টী-২০ ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল আজি কেৰালাৰ তিৰুৱনন্তপুৰমত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ৩-১ ৰ ব্যৱধানত ইতিমধ্যে শৃংখলাত অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰা ভাৰতে আজি মূল একাদশত কেইবাগৰাকী খেলুৱৈৰ সাল-সলনিৰে সম্পৰীক্ষা কৰাৰ সম্ভাৱনা আছে। মূল একাদশত শ্ৰেয়াস আয়াৰ আৰু বৰুণ চক্ৰৱৰ্তীক স্থান দিয়া হ'ব পাৰে।

ooooooo

ভাৰতৰ দেৱিকা ছিহাগ বেংককত অনুষ্ঠিত থাইলেণ্ড মাষ্টাৰ্ছ ছুপাৰ থ্ৰী হাণ্ড্ৰেড বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ ছেমি ফাইনেলত আজি চীনা টাইপেইৰ হুৱাং য়ু চুনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আন এখন কোৱাৰ্টাৰ ফাইনেলত ঈষাৰণী বৰুৱা মালয়েছিয়াৰ প্ৰতিদ্বন্দ্বীৰ ৱং লিং ছিঙৰ বিৰুদ্ধে পৰাস্ত হয়।  দেৱিকাই থাইলেণ্ডৰ শীৰ্ষস্থানৰ খেলুৱৈ চুপানিদা কাতেথঙক ২১-১৯, ২১-১৮ গেমত পৰাস্ত কৰে। পুৰুষৰ ছিংগলছত ভাৰতৰ থাৰুন মন্নেপল্লি চীনৰ ঝু জুৱান চেনৰ বিৰুদ্ধে পৰাস্ত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হয়।

oooooo